# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 08-12-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::

পলাশবাৰীৰ সৈতে শুৱালকুছিৰ সংযোগ স্থাপনৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া চাৰিলেনযুক্ত দলঙৰ আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভূমিপূজন কৰে। ১২ দশমিক ২-১ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনৰ মুঠ ব্যয় ৩ হাজাৰ ১৯৭ কোটি ২০ লাখ টকা ধাৰ্য কৰা হৈছে। লুইতৰ উত্তৰ পাৰৰ শুৱালকুছি আৰু দক্ষিণ পাৰৰ পলাশবাৰীক সংযোগ কৰিবলগীয়া এই গ্ৰীণফিল্ড প্ৰকল্পই পলাশবাৰী আৰু শুৱালকুছিৰ সামগ্ৰিক উন্নয়নৰ কাম-কাজ সামৰি লব। কামৰূপ মহানগৰৰ পশ্চিম অঞ্চলৰ বিকাশ ত্বৰান্বিত কৰা, শুৱালকুছি আৰু ইয়াৰ কাষৰীয়া জিলাসমূহৰ পৰা লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰলৈ পোনপটীয়া সংযোগৰ সুবিধা আগবঢ়োৱা, উচ্চ শিক্ষানুষ্ঠান আৰু উন্নত চিকিৎসা সেৱা লাভৰ ক্ষেত্ৰত দুয়োপাৰৰ জনসাধাৰণৰ বাবে সুচল যাতায়াত আৰু গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ যান-জঁট তথা বায়ু প্ৰদূষণ ৰোধৰ বাবেও এই প্ৰকল্পৰ জৰিয়তে প্ৰয়াস কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে আজি শুৱালকুছিত উপস্থিত হৈ বিজেপিৰ শুৱালকুছি মণ্ডলৰ নৱনিৰ্মিত কাৰ্যালয়টো মুকলি কৰে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে সমাগত পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে মিত্ৰ দলসমূহৰ সৈতে সমষ্টি পৰ্যায়ত মিত্ৰতা অব্যাহত ৰাখিব বুলি মন্তব্য কৰে।

০০০

ৰাজ্যৰ ২৭ খন জিলাত আজিৰে পৰা উপ ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক অভিযান ৰূপায়ণ কৰা হৈছে। গোৱালপাৰা জিলাত আজিৰে পৰা ৩ দিনীয়াকৈ পলিঅ' প্ৰতিষেধক অভিযান অনুষ্ঠিত হৈছে। জিলাখনৰ আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে আজি গোৱালপাৰা চহৰত থকা প্ৰসুতি আৰু শিশু স্বাস্থ্য কেন্দ্ৰত এই অভিযানৰ শুভাৰম্ভ কৰে। জিলা প্ৰতিষেধক বিষয়া ডাঃ জয়দীপ ভট্টাচাৰ্যই প্ৰকাশ কৰা মতে, জিলাখনত জন্মৰ পৰা ৫ বছৰ বয়সৰ ২ লাখ ১০ হাজাৰৰো অধিক শিশুক এই বিশেষ অভিযানৰ জৰিয়তে পলিঅ' প্ৰতিষেধক দিয় হব। আজি জিলাখনৰ ৯২৩ টা কেন্দ্ৰত এই প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই কাৰ্যসূচীত বাদ পৰি যোৱা শিশুসকলক কাইলৈ আৰু পৰহিলৈ স্বাস্থ্য কৰ্মীসকলে ঘৰে ঘৰে গৈ প্ৰতিষেধক প্ৰদান কৰিব বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। শিৱসাগৰ জিলাৰ ৫৫০ টা কেন্দ্ৰত ৫ বছৰ পৰ্যন্ত বয়সৰ শিশুসকলক প্ৰতিষেধক প্ৰদান কৰা হৈছে। স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, এই অভিযানৰ দ্বাৰা জিলাখনৰ ৯৭ হাজাৰ ৭২৬ টি শিশুক পলিঅ' প্ৰতিষেধক দিয়া হব। পৰহিলৈ সামৰণি পৰিবলগীয়া এই অভিযান সফল কৰি তোলাৰ বাবে জিলাখনৰ স্বাস্থ্য বিভাগে প্ৰতিটো বিভাগক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। কাৰ্বি আংলং জিলাতো আজি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে ডিফুৰ ৰংথেআঙত জিলা পৰ্যায়ৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অভিযানৰ ৯২ হাজাৰ

শিশুক দুপালিকৈ পলিঅ' প্ৰতিষেধক খুওৱা হব। জিলাখনত ইয়াৰ বাবে ২ হাজাৰ স্বাস্থ্য কৰ্মী নিয়োগ কৰা হৈছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০

দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ অন্তৰ্গত তেজপুৰ বিধানসভা সমষ্টিত সমষ্টি পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ আজি আৰম্ভ হয়। তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই তেজপুৰ প'ল' খেলপথাৰত আয়োজিত দ্বিতীয় খেল মহাৰণ অনুষ্ঠানৰ শুভাৰম্ভ কৰে। তেজপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৩খন গাঁও পঞ্চায়ত আৰু এটা নগৰীয় স্থানীয় নিকায়ৰ প্ৰায় ৩ হাজাৰ প্ৰতিযোগীয়ে দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণত অংশগ্ৰহণ কৰিছে।

একেদৰে তামুলপুৰ জিলাত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ ভি চি ডি চি পৰ্যায়ৰ প্ৰতিযোগিতা সামৰণি পৰাৰ পাছত সমষ্টিভিত্তিক প্ৰতিযোগিতাৰ বাবে জিলা প্ৰশাসন সাজু হৈছে। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্ত্তীয়ে প্ৰকাশ কৰা এটা বিবৃতি অনুসৰি জিলাখনৰ তামুলপুৰ বিধানসভা সমষ্টিত ১০ৰ পৰা ১৪ ডিচেম্বৰলৈ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিত ১৭ৰ পৰা ২১ ডিচেম্বৰলৈ খেল প্ৰতিযোগিতাসমূহ হ'ব।

০০০

চৰাইদেউ মৈদামক ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰত স্থান লাভ কৰাৰ পাছতে মৈদামটোত বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধি পাইছে। বিশেষকৈ বিগত অক্টোবৰৰ পৰা চৰাইদেউ মৈদাম ক্ষেত্ৰলৈ ইটালী, স্পেইন, থাইলেণ্ড, আমেৰিকাকে ধৰি বিভিন্ন দেশৰ পৰ্যটকৰ আগমন ঘটিছে। মৈদামৰ স্থাপত্যকলা আৰু প্ৰাকৃতিক সৌন্দৰ্যই বিদেশী পৰ্যটকসকলকো আপ্লুত কৰিছে। ইটালীৰ এদল পৰ্যটকক লৈ চৰাইদেউ মৈদামলৈ অহা এগৰাকী ট্যুৰিষ্ট গাইডে সমাধি ক্ষেত্ৰ পৰিদৰ্শন কৰি আপ্লুত হৈ বিশ্বৰ ভিন্ন প্ৰান্তৰ পৰ্যটকক চৰাইদেউ ভ্ৰমণৰ বাবে আহ্বান জনাইছে। আনহাতে, প্ৰত্নতত্ব সঞ্চালকালয় অসমৰ পূৰাতত্ব সংৰক্ষক কংকনজ্যোতি শইকীয়াই চৰাইদেউ মৈদামৰ বিদেশী পৰ্যটকৰ বিষয়ে এইদৰে কয়-

**ঃবাইটঃ**

০০০

সমাপ্ত